# অসমীয়া ভাষা আৰু আন মগধীয় ভাষা

১৭. অসমীয়া ভাষাৰ বিদেহ-মগধীয় পৰিয়ালৰ ভাষা বঙলা, উড়িয়া, ভোজপুৰী, মৈথিলী আদি ভাষাবোৰেৰে সৈতেও সম্বন্ধৰ আঁতডালি বিচ্ছিন্ন হৈ যোৱা নাই। সেই সেই ভাষাবোৰৰে সৈতে অসমীয়া ভাষাৰ এটা সম্পৰ্ক আছে, অথচ তাৰ ভিতৰতে অসমীয়া ভাষাই এটা সুকীয়া বৈশিষ্ট্যও ৰক্ষা কৰিছে। ইয়াৰ দ্বাৰাও অসমীয়া ভাষাটো মগধীয় ভাষা হিচাপে প্ৰতিষ্ঠিত হৈছে। তামৰ ফলিৰ ভাষাই অসমীয়া ভাষাৰ চিত্ৰটো স্পষ্ট কৰি তোলে; কিন্তু অসমীয়া ভাষাৰ বিস্তৃত নিদৰ্শন চৰ্যা-পদবোৰৰ (অষ্টম-দ্বাদশ শতিকা) ভাষাতহে পোৱা যায়। চৰ্যা-পদৰ পিছত অসমীয়া ভাষাৰ নিদৰ্শন আছে প্ৰাচীন অসমীয়া সাহিত্যত। এই ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য হ'ল মাধৱ কন্দলীৰ (চৈধ্য শতিকা) ৰামায়ণৰ ভাষা। ইয়াৰ লগত শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষাৰে সৈতে থকা সম্পৰ্কই (শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষাৰ লগত চৰ্যাপদৰো সম্পৰ্ক আছে) অসমীয়া ভাষাৰ পূৰ্ব-ভাৰতৰ একেবাৰে মিথিলাৰ ভাষাৰে সৈতে যোগসূত্ৰডালি আৰু দৃঢ় কৰি তোলে। চৰ্যা-পদৰ ভাষাক মৈথিলী ভাষাৰ উত্তৰপূৰ্বীয় উপভাষা বুলি কোৱা হয়।[১৬]

১৮. অসমীয়া ভাষাৰ আন আন ভাষাৰ লগত সাদৃশ্য-বৈসাদৃশ্যৰ আলোচনা কৰিবলৈ হ'লে অসমীয়া ভাষাৰ আটাইবোৰ উপভাষাৰ সহায় ল'ব লাগিব। উত্তৰ-বংগৰ ভাষাৰ লগত অসমৰ পশ্চিম অঞ্চলৰ ভাষাৰ ৰূপতত্ত্বমূলক আৰু শব্দমূলক অনেক সাদৃশ্যৰ উপৰি প্ৰৱাদ-বচন আদিৰো সামঞ্জস্য ধৰা পৰিছে। শ্ৰীচাৰুচন্দ্ৰ সান্যালৰ উল্লেখ মতে "দাৰ্জিলিঙৰ শিলিগুৰি মহকুমা, অবিভক্ত জলপাইগুৰি, কোচবিহাৰ, অসমৰ গোৱালপাৰা আৰু উত্তৰ ৰংপুৰৰ উপভাষাটো বঙলাৰ এটা 'স্থানীয় উপভাষা'। সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু সুকুমাৰ সেনে ইয়াক 'উত্তৰ-পূব বঙলা উপভাষা' বুলি অভিহিত কৰিছে। প্ৰকৃতপক্ষে ই ওপৰত উল্লিখিত অঞ্চলৰ গাঁৱলীয়া লোকসকলৰ কথিত (চলিত) ভাষা। এই কথিত ভাষাটোৰ মান্য কথিত বঙলা ভাষাৰ লগত বহু ক্ষেত্ৰত পাৰ্থক্য আছে।"[১৭] ইফালে অসমীয়া ভাষাৰ পশ্চিম অঞ্চলৰ কামৰূপী উপভাষাৰ লগত এই উপভাষাটোৰ 'বহুক্ষেত্ৰত' সাদৃশ্য ৰক্ষিত হৈছে। উত্তৰ-বংগৰ ভাষাৰ লগত পশ্চিম অসমৰ গোৱালপৰীয়া

১৬. Jha, S., *The Formation of the Maithili Language*, 1958, pp. 32-42.

উপভাষাৰো সাদৃশ্য প্ৰচুৰ। শ্ৰীসান্যালে উল্লেখ কৰা উত্তৰ-বংগৰ উপভাষা সৈতে থকা কামৰূপী উপভাষাৰ শব্দমূলক সাদৃশ্যবোৰ তলত দিয়া ধৰণৰ।

(ক) ঘৰ-দুৱাৰ আৰু আন বস্তু-বাহানি সম্পৰ্কীয় ঃ

| উত্তৰ-বংগৰ উপভাষা | কামৰূপী উপভাষা |
|---|---|
| আখা | আখা |
| আয়না | আয়না |
| আংটি | আউঙুথি তুং গোৱা, আঙুঠি |
| কুলা | কুলা |
| খিৰ্কি | খিৰ্কি |
| খোন্তা | খন্তা |
| গাছা | গাচা |
| ঘৰ | ঘৰ |
| ঘোটি | ঘোতি |
| ঘোসি | ঘঁহি (ৰামদিয়া অঞ্চল) তু. গোৱা, ঘোশি |
| চাল | চাল (ঘৰৰ) |
| ছিপ | চিপ |
| জাখোই | জাখা, জাখে |
| ডালা | দালা |
| ডেগ | দেগ |
| তোৰ্সি | তৰ্হি, তহ্ৰি |
| দৰ্জা | দৰ্জা > দজ্জা |
| দাও | দাউ |
| দুআৰ | দুআৰ |
| দুন | দুন |
| নোলোক | নলক |
| পিৰা | পিৰা |
| পোইলা | পাইলা |
| ফুল | (নাক) ফুল (নাক্ৰ) ফুল |

* কামৰূপী উপভাষাৰ ৰূপবোৰ দেখুৱাওঁ সাধাৰণ বানান-পদ্ধতি এৰি কামৰূপীৰ বিশিষ্টধ্বনি অনুযায়ীহে দেখুৱা হৈছে। উত্তৰ-বঙ্গৰ উপভাষাৰ উদাহৰণবোৰত 'চ, ছ'ক তালব্য স্পৰ্শ-ধ্বনি আৰু 'স'ক উষ্মধ্বনিৰূপে শ্ৰীসান্যালে দেখুৱাইছে।

| | |
|---|---|
| বোটিদাও | বোথি তু গোৱা. বোটি |
| কথ্যা | কথ্যা |
| হাইসাল | হাঁইহাল |
| হাতা | হাতা, হাথা |
| হামোদিস্তা | হামুদিস্তা তু. গোৱা. হামু |

(খ) ফল-মূল, মছলা-পাতি সম্পৰ্কীয় ঃ

| **উত্তৰ-বংগৰ উপভাষা** | **কামৰূপী উপভাষা** |
|---|---|
| আদা | আদা |
| এ'লাচি | এ'লাচি |
| কঠোআল | কথাল, তু গোৱা. কাঠোল |
| কলম | কলমদানি (এবিধ ধান) |
| খব্‌মা | খব্‌মা (এবিধ ধান) |
| জিৰা | জিৰা |
| তামকু | তাম্বু |
| দালচিনি | দালচেনি |
| বাঙি | বাঙি |
| বে'ল | বে'ল |
| বোগাৰি | বৌগৰি |
| বোৱা | বৱা (এবিধ ধান) |
| হামকু | হামখু |
| হোলদি | হালদি |

(গ) খেতি-বাতিৰ সা-সঁজুলি ঃ

| **উত্তৰ-বংগৰ উপভাষা** | **কামৰূপী উপভাষা** |
|---|---|
| কোদাল | কদাল তু. গোৱা. কোদাল |
| জোঙাল | জংলি তু. গোৱা. জোঙাল |
| জুআ | জুআ (গৰুৰ গাড়ীৰ) |
| ধুৰ | ধুৰা (গৰুৰ গাড়ীৰ) |
| নাঙল | নাঙাল/লাঙাল |
| ফাল | ফাল তু. গোৱা. ফাল |
| মৈ 'জখলা' | জখ্‌লা তু. গোৱা. মৈ |

(ঘ) নামবাচক শব্দ ঃ

| উত্তৰ-বংগৰ উপভাষা | কামৰূপী উপভাষা |
|---|---|
| আগ্‌না | আঘ্‌না |
| আসাৰু | আঁহোৰু |
| জেঠিআ | জেউঠা |
| দোমাসু | দমোহ |
| দেবাৰু | দে'বোৰু |
| পুসু | পুহ |
| ফাগু | ফাউগ্‌না |
| বাইসাগু | বৈহোগু |
| বুধু | বুদু, বুদা, বুইধা |
| মাঘু | মাঘু-আ > মাউঘা |
| মোঙ্‌লা, মোঙ্‌লু | মঙ্‌লা, মঙোলু |
| ৰোবিৰাম | ৰৈবা |
| সাৱনা | সাউনা |
| সোইনা | সোইনা |

(ঙ) সম্বন্ধবাচক শব্দ ঃ

| উত্তৰ-বংগৰ উপভাষা | কামৰূপী উপভাষা |
|---|---|
| আই | আই (মা) |
| আবো | আবু তু. গোৱা আবো |
| কাকা | কাকা |
| ঘৰ্‌নি | ঘন্নি |
| জাঁঐ | জঁউএ, জাঁউএ |
| দে'ওৰ | দে'উৰ |
| ঢেমিনা | ধে'ম্‌না |
| বাই | বাই |
| বাপ | বাপ তু. গোৱা. বাপ |
| বে'টা | বে'তা তু. গোৱা. বেটা সা |